**2022**

# ASSAMESE

( Honours Elective )

Paper : ASM–HE–5016

**( Study of Assamese Folk Literature )**

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Created by Hemchandra Mili

১। অতি চমু উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) লোকসাহিত্য বা বাচিক কলা ব্যক্তি নিৰপেক্ষ নে ব্যক্তি সাপেক্ষ, লিখা।

(খ) বাণীকান্ত কাকতিয়ে লোকসাহিত্যক বুজাবৰ বাবে ব্যৱহাৰ কৰা নাম দুটাৰ যি কোনো এটা নাম লিখা।

(গ) সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোকগীতক কেইটা ভাগত ভাগ কৰিছে?

(ঘ) জনজাতীয় লোকসাহিত্যক বহলভাৱে কেইটা ভাগত ভাগ কৰা হৈছে?

(ঙ) মিচিং জনগোষ্ঠীৰ মাজত অপায় অমঙ্গল দূৰ কৰিবৰ বাবে মিবুৱে (পুৰোহিতে) মাঙ্গলিক কাৰ্যত গোৱা স্তুতিমূলক গীতক কি নামেৰে জনা যায়?

(চ) ‘আইনাম’ কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত ?

(ছ) ভাৰতীয় সংস্কৃতিত মন্ত্ৰৰ সুস্পষ্ট পৰম্পৰা কোনখন বেদৰ পৰা আৰম্ভ হৈছে ?

(জ) ‘দদান বীৰৰ কাহিনী’ কোন জনজাতিৰ মাজত প্ৰচলিত জনশ্ৰুতিমূলক কাহিনী ?

(ঝ) ‘হস্তীকন্যাৰ গীত’ৰ প্ৰধান ৰস কি ?

(ঞ) ইতিহাসখ্যাত ‘দন্দুৱা দ্ৰোহ’ৰ কথা কোনটো বুৰঞ্জীমূলক মালিতাত প্ৰকাশ পাইছে ?

(ট) ‘ভাউৰাৰ গীত’ কোন শ্ৰেণীৰ মালিতাৰ অন্তৰ্গত ?

(ঠ) ‘বাগৰুম্বা গীত’ অসমৰ কোনটো জনজাতিৰ নৃত্যৰ লগত গোৱা হয় ?

(ড) ‘ধনবৰ আৰু ৰতনী’ কোন যুগত ৰচিত মালিতা ?

(ঢ) বিহুগীতবোৰ সাধাৰণতে কি ছন্দত ৰচিত ?

(ণ) ৰাভাসকলৰ ‘বায়খো’ উৎসৱত গোৱা গীতবোৰক কি নামেৰে জনা যায় ?

(ত) আজান পীৰ বা শ্বাহ মিলনৰ নামত প্ৰচলিত গীতসমূহ কি নামেৰে জনা যায় ?

(থ) দেহবিচাৰৰ গীতসমূহ মূলতঃ কি ভাৱসম্পন্ন ?

(দ) প্ৰেম আৰু সতীত্বক কেন্দ্ৰ কৰি ৰচিত হোৱা এটা বাৰমাহী গীতৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ‘Folk’ আৰু ‘Lore’ শব্দ দুটিয়ে কি অৰ্থ বহন কৰে, সুকীয়াকৈ বুজাই লিখা।

(খ) 'গেয়' আৰু 'কথ্য' ৰূপত পোৱা লোকসাহিত্যৰ একোটাকৈ উদাহৰণ দিয়া।

(গ) চাহ জনগোষ্ঠীৰ 'কৰম পূজা'ত গোৱা দুই প্ৰকাৰ গীত কি কি, লিখা।

(ঘ) সাধুকথাৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) "মন্ত্ৰবোৰক সাধাৰণতে দুটা ভাগত ভাগ কৰিব পাৰি।" ভাগ দুটা কি কি, উল্লেখ কৰা।

(চ) ডাকৰ বচনৰ সৈতে সংপৃক্ত হৈ থকা অসমৰ বাহিৰৰ দুগৰাকী বেলেগ ব্যক্তিৰ নাম লিখা।

(ছ) 'বৰফুকনৰ গীত' আৰু 'নাও খেলোৱা গীত' ক্ৰমে কোন শ্ৰেণীৰ লোকগীত, উল্লেখ কৰা।

(জ) 'নলুৱা-চলুৱাৰ গীত' অসমৰ কোন জনজাতিৰ গীত আৰু ইয়াত কি উৎপত্তি-বিষয়ক কথা আছে?

(ঝ) 'আলি আয়ে লৃগাং' কোনে, কেতিয়া পালন কৰে?

(ঞ) 'বড়ো কছাৰী গীত মাত' আৰু 'অসমীয়া জনসাহিত্য' গ্ৰন্থ দুখনৰ বচকৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লোকসাহিত্যৰ আঞ্চলিক বিভাজন

(খ) লোকৰীতি

(গ) প্ৰবাদ-পটন্তৰ

(ঘ) বিবিধ-বিষয়ক লোকগীত

(ঙ) খণ্ডিত মালিতা

(চ) হুচৰি গীত আৰু বনগীত

(ছ) চ'মাংকানৰ গীত

(জ) ভঠেলি উৎসৱৰ গীত

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) লোকসংস্কৃতিৰ অধ্যয়নত লোকসাহিত্যৰ গুৰুত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) জনজাতীয় লোকসাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমৰ লোকসাহিত্যত সাধুকথাৰ ভূমিকা আৰু ইয়াৰ ভাগ-বিভাজন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঙ) অসমীয়া আৰু অসমীয়াৰ নৃগোষ্ঠীয় উপভাষাত ৰচিত নিচুকণি গীত-মাতৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(চ) মালিতা বুলিলে কি বুজা? মালিতাৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা যুগুত কৰা।

(ছ) বুৰঞ্জীমূলক মালিতা বুলিলে কি বুজা? বুৰঞ্জীমূলক মালিতা কেইটামানৰ বিশেষ উল্লিখনসহ এটি আলোচনা যুগুত কৰা।

(জ) বড়ো *অথবা* ৰাভা জনজাতিৰ ধৰ্মকেন্দ্ৰিক গীতৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঝ) চাহ জনগোষ্ঠীয় লোকগীত সম্পৰ্কে এটি আলোচনা কৰা।

(ঞ) "গোৱালপাৰা অঞ্চলত বিবিধ ধৰণৰ লোকগীত প্ৰচলিত আছে।" কথাষাৰৰ আঁত ধৰি গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি আলোচনা কৰা।

★★★

## 2022

# ASSAMESE

## ( Elective )

Paper : 5.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) চৰ্যাপদসমূহ কোনখন মূল গ্ৰন্থৰ পৰা সংগৃহীত?

(খ) শ্ৰীধৰ কন্দলি কোন সময়ৰ কবি?

(গ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি?

(ঘ) অসমীয়া কাব্যজগতত 'বধকাব্যৰ কবি' ৰূপে কোনগৰাকী কবি পৰিচিত?

(ঙ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' শীৰ্ষক কবিতাটোৰ কবি কোন?

(চ) ৰঘুনাথ চৌধাৰী ৰচিত এখন কাব্যপুথিৰ নাম লিখা।

(Contd.)

(ছ) অসমীয়া 'কথা-কবিতা'ৰ জনক কোন?

(জ) 'সপোনৰ সুৰ' আৰু 'সন্ধিয়াৰ সুৰ' কাব্যগ্ৰন্থ দুখনৰ ৰচক কোন?

(ঝ) 'আমি দুৱাৰ মুকলি কৰোঁ' শীৰ্ষক ছবিখনৰ চিত্ৰকৰজনৰ নাম কি?

(ঞ) ড. নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কাব্যগ্ৰন্থৰ বাবে 'সাহিত্য অকাডেমি বঁটা' লাভ কৰিছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কামৰূপৰ দুগৰাকী চৰ্যাকাৰৰ নাম লিখা।

(খ) শংকৰদেৱৰ 'নন্দোৎসৱ' কবিতাটোৰ আধাৰ-গ্ৰন্থ কি? কবিতাটোত কোনে শ্ৰীকৃষ্ণৰ জন্মকেন্দ্ৰিক উৎসৱৰ বৰ্ণনা দাঙি ধৰিছে?

(গ) চিত্ৰলেখাই কাৰ আগত আৰু কিমান দিনৰ ভিতৰত পট নিৰ্মাণ কৰি দেখুওৱাৰ প্ৰতিশ্ৰুতি দিছে?

(ঘ) 'পৰম তৃষ্ণা' কবিতাটোত কবিয়ে কিহৰ তৃষ্ণাৰ ইংগিত দিছে?

(ঙ) 'পলস' কবিতাটোত কি কি বনত মানৰ দিনৰ অতীত বহাগৰ ধুমুহাৰ সপোন সৰি যোৱা বুলি কবিয়ে উল্লেখ কৰিছে?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২০

(ক) "কাআ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীএ পইঠো কাল॥"

উদ্ধৃত কবিতাংশ ক'ৰ পৰা লোৱা হৈছে? গছ আৰু ডালৰ সৈতে কিহৰ তুলনা দাঙি ধৰা হৈছে, বুজাই লিখা।

(খ) 'নন্দোৎসৱ' কবিতাটোত উল্লেখ থকা মতে পুত্ৰ উপজাৰ পাছত নন্দই কি কি কাৰ্য সম্পাদন কৰিছে, বৰ্ণনা কৰা।

(গ) 'ৰংপুৰ নগৰৰ বৰ্ণনা' কবিতাটোত ৰংপুৰ নামটো হোৱাৰ কাৰণ কবিয়ে কি বুলি উল্লেখ কৰিছে, ব্যাখ্যা কৰা।

(ঘ) 'সোণোৱালী দেশ' কবিতাটোৰ মূল ভাব নিজৰ ভাষাত লিখা।

(ঙ) দেৱকান্ত বৰুৱাৰ 'আমি দুৱাৰ মুকলি কৰোঁ' কবিতাটোত 'দুৱাৰ'ক কিহৰ প্ৰতীক হিচাপে কবিয়ে উপস্থাপন কৰিব বিচাৰিছে, তোমাৰ যুক্তি আগবঢ়োৱা।

৪। তলৰ চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ১০×৪=৪০

(ক) লুইপাদৰ চমু পৰিচয় দাঙি ধৰি ১নং চৰ্যাপদটোৰ সাহিত্যিক সৌন্দৰ্য বিশ্লেষণ কৰা।

অথবা

শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' কবিতাটোত শ্ৰীকৃষ্ণই মাতৃ যশোদাৰ আগত কাণখোৱাৰ প্ৰতি কেনেদৰে ভয় ব্যক্ত কৰিছে, বহলাই লিখা।

(Contd.)

(খ) সখীয়েক উষাই সপোনত দেখা স্বামীক চিনাক্ত কৰিবলৈ চিত্ৰলেখাই কাৰ কাৰ ছবি অঙ্কন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

ধৃতৰাষ্ট্ৰ আৰু বিদুৰ কোন ? পাণ্ডৱৰ বনবাসত আনন্দ প্ৰকাশ কৰা ধৃতৰাষ্ট্ৰক বিদুৰে কি পৰামৰ্শ আগবঢ়াইছে, বুজাই লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য 'কেতেকী' কবিতাটোত প্ৰকাশ পাইছে, আলোচনা কৰা।

*অথবা*

'পৰম তৃষ্ণা' কবিতাটোত কবি নলিনীবালা দেৱীয়ে পৃথিৱীখনক কেতিয়াৰ চিনাকি বুলি উল্লেখ কৰিছে? তেওঁ এই পৃথিৱীলৈ বাৰে বাৰে কিয় উভতি আহিছে, বহলাই আলোচনা কৰা।

(ঘ) 'পলস' কবিতাটোত কবি নৱকান্ত বৰুৱাই অতীত আৰু বৰ্তমান যুগৰ সমন্বয়-সাধনৰ ছবি কেনেদৰে অংকন কৰিছে, বৰ্ণনা কৰা।

*অথবা*

সাম্প্ৰতিক কবিতা বুলিলে কি বুজা? নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাটোত সাম্প্ৰতিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★

# 2022

## ASSAMESE

## ( Regular Elective )

## Paper : ASM–RE–5016/5026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

## Paper : ASM–RE–5016

### ( শংকৰদেৱ )

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) শংকৰদেৱে ৰচনা কৰা সংলাপযুক্ত প্ৰথম নাট কোনখন ?

(খ) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি ?

(গ) শংকৰদেৱে 'ৰামায়ণ'ৰ কোনটো কাণ্ড অনুবাদ কৰিছিল ?

(ঘ) 'ভক্তি ৰত্নাকৰ' কি ভাষাত ৰচিত গ্ৰন্থ ?

(ঙ) শংকৰদেৱে মুঠ কেইপ্ৰকাৰ ভটিমা ৰচনা কৰিছিল ?

(চ) শংকৰদেৱৰ বিৰচিত প্ৰথম বৰগীত কোনটো ?

(ছ) 'বৰগীত'ক কোনে 'Noble Numbers' আখ্যা দিছে ?

(জ) শংকৰদেৱে তোটক ছন্দত ৰচনা কৰা বিষ্ণুৰ লীলা-মাহাত্ম্য প্ৰকাশক সংস্কৃত স্তোত্ৰটো কি নামেৰে পৰিচিত?

(ঝ) 'কীৰ্ত্তন-ঘোষা'ৰ বাহিৰে শংকৰদেৱে ৰচনা কৰা নাম-প্ৰসংগ বিষয়ক আনখন গ্ৰন্থৰ নাম কি?

(ঞ) 'মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু শ্ৰীমাধৱদেৱ' শীৰ্ষক গ্ৰন্থৰ ৰচক কোন?

(ট) কোনগৰাকী পণ্ডিতে 'Sankardeva and His Times' বিষয়ত গৱেষণা কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট উপাধি লাভ কৰিছিল?

(ঠ) 'শাৰংগ পাণি পাহে ......' বৰগীতটি কি ৰাগত ৰচিত?

(ড) 'কীৰ্ত্তন'ৰ শিশু লীলাত বৰ্ণনা কৰা মতে কোনগৰাকী ঋষিয়ে শ্ৰীকৃষ্ণৰ জাতকৰ্ম সম্পন্ন কৰিছিল?

(ঢ) শুক মুনিয়ে কোন ৰজাৰ আগত গজেন্দ্ৰ উপাখ্যান বৰ্ণনা কৰিছে?

(ণ) ৰজা হৰিশ্চন্দ্ৰই কোন ঋষিৰ ৰোষত পৰি ৰাজ্যাদি সৰ্বস্ব হেৰুৱাইছিল?

(ত) ৰোহিতাস্য কোন?

(থ) 'বিষ্ণু পুৰাণ' আৰু 'ভাগৱত পুৰাণ'ৰ বাহিৰে শংকৰদেৱৰ 'পাৰিজাত হৰণ'ৰ বিষয়বস্তুত আন কোনখন গ্ৰন্থৰ প্ৰভাৱ পৰিছে?

(দ) কাৰ বাধাৰ কাৰণে ইন্দ্ৰই শ্ৰীকৃষ্ণক পাৰিজাত ফুল দিবলৈ অমান্তি হৈছিল?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) শংকৰদেৱৰ সমসাময়িক বৈষ্ণৱ প্ৰভাৱমুক্ত দুগৰাকী কবিৰ নাম লিখা।

(খ) কাহিনী-বিকাশ, চৰিত্ৰ-সৃষ্টি আদি বিষয়ত শংকৰদেৱৰ কোন দুখন নাটকৰ বিশেষ সাদৃশ্য লক্ষ্য কৰা যায় বুলি পণ্ডিতসকলে মন্তব্য কৰিছে?

(গ) শংকৰদেৱে ৰচনা কৰা ভক্তিতত্ত্ব প্ৰকাশক দুখন গ্ৰন্থৰ নাম লিখা।

(ঘ) "যত জীৱ জঙ্গম কীট পটঙ্গম
অগ নগ জগ তেৰি কায়া।"

বৰগীতটিত ব্যৱহৃত 'জঙ্গম' আৰু 'অগ' শব্দ দুটাই কি অৰ্থ প্ৰকাশ কৰিছে?

(ঙ) 'শাৰংগ পাণি....' বৰগীতটিত কি দুটা বস্তু ওচৰ পোৱা বুলি কৈ শংকৰদেৱে শাৰংগপাণিৰ চৰণত প্ৰাৰ্থনা জনাইছে?

(চ) গজেন্দ্ৰৰ প্ৰাৰ্থনা শুনি কোনে, কাৰ পিঠিত উঠি আহি গ্ৰাহৰ পৰা গজেন্দ্ৰক ৰক্ষা কৰিছিল ?

(ছ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ শংকৰদেৱে 'মাৰ্কণ্ডেয় পুৰাণ'ৰ কোন দুটা অধ্যায়ৰ পৰা গ্ৰহণ কৰিছে ?

(জ) ৰজা হৰিশ্চন্দ্ৰই কি যজ্ঞ অনুষ্ঠিত কৰিছিল আৰু যজ্ঞৰ প্ৰাৰম্ভতে শাস্ত্ৰ-ব্যৱস্থিত গণেশক পূজিবলৈ অমান্তি হৈ কাক পূজা কৰিছিল ?

(ঝ) নাৰদ মুনিয়ে স্বৰ্গৰ পৰা শ্ৰীকৃষ্ণলৈ কি উপহাৰ লৈ আহিছিল ? সেই উপহাৰ শ্ৰীকৃষ্ণই গ্ৰহণ কৰি কাক দিছিল ?

(ঞ) ৰামচৰণ ঠাকুৰৰ 'গুৰুচৰিত' মতে শংকৰদেৱে কোনবাৰ তীৰ্থ ভ্ৰমণৰ সময়ত 'পাৰিজাত হৰণ' নাট ৰচনা কৰিছিল আৰু তেতিয়া শংকৰদেৱৰ বয়স কিমান বুলি ধাৰণা কৰিব পাৰি ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ কৰা : ৫×৪=২

(ক) শংকৰদেৱৰ বৰগীত সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) শংকৰদেৱৰ অনুবাদ-সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা।

(গ) 'শাৰঙ্গ পাণি....' বৰগীতটিৰ বিষয়বস্তুৰ তাৎপৰ্য বিচাৰ কৰা।

(ঘ) 'কীৰ্ত্তন-ঘোষা'ৰ কাব্যিক বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(ঙ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ বিষয়বস্তুৰ চমু আভাস দিয়া।

(চ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কবিয়ে কেনেদৰে বৈষ্ণৱ আদৰ্শ প্ৰচাৰ কৰিছে, বিচাৰ কৰা।

(ছ) 'পাৰিজাত হৰণ' নাটৰ পঞ্চসন্ধি সম্বন্ধে এক চমু টোকা লিখা।

(জ) 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটো বিশ্লেষণ কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ কৰা : ১০×৪=৪০

(ক) শংকৰদেৱৰ সাহিত্য-সৃষ্টিৰ পটভূমি বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা। ১০

(খ) শংকৰদেৱ বিৰচিত নাটসমূহ ৰচনাৰ ক্ৰম অনুযায়ী উল্লেখ কৰি 'পাৰিজাত হৰণ' ব্যতিৰেক অন্য যি কোনো দুখন নাটৰ বিষয়ে চমুকৈ লিখা। ২+৮=১০

(গ) 'বৰগীত' বুলিলে কি বুজা? শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীতৰ এক তুলনামূলক আলোচনা আগবঢ়োৱা। ২+৮=১০

(ঘ) 'নাৰায়ণ কাহে ভকতি কৰোঁ তেৰা' বৰগীতটোত ভগৱান নাৰায়ণৰ মহিমা আৰু ভক্তৰ আকুলতা কেনেদৰে প্ৰকাশ পাইছে, বৰ্ণনা কৰা। ১০

(ঙ) ভাবৰ ভিন্নতালৈ লক্ষ্য কৰি বৰগীতসমূহক কেনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি, বহলাই আলোচনা কৰা। ১০

(চ) 'কীৰ্ত্তন' পুথিৰ 'গজেন্দ্ৰ উপাখ্যান'ত বৰ্ণিত গজেন্দ্ৰ আৰু গ্ৰাহৰ যুদ্ধৰ বৰ্ণনা তোমাৰ ভাষাৰে লিখা। ১০

(ছ) শংকৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল আৰু মৌলিকতা সম্পৰ্কে বিতংকৈ আলোচনা কৰা। ৩+৭=১০

(জ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত অসমীয়া সমাজ-জীৱনৰ ছবি কেনেদৰে প্ৰতিফলন হৈছে, বৰ্ণনা কৰা। ১০

(ঝ) 'পাৰিজাত হৰণ' নাটৰ কলা-কৌশল সম্পৰ্কে সবিশেষ আলোচনা কৰা। ১০

(ঞ) 'পাৰিজাত হৰণ' নাটত বিভিন্ন ৰসৰ কেনেদৰে সমাহাৰ হৈছে, উদাহৰণসহ উল্লেখ কৰা। ১০

Paper : ASM–RE–5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) 'জনকৃষ্টিৰ ৰূপৰেখা' গ্ৰন্থৰ ৰচক কোন?

(খ) লোকসাহিত্যৰ বাহক কি?

(গ) সত্যেন্দ্ৰনাথ শৰ্মাই লোকগীতসমূহক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰি দেখুৱাইছে?

(ঘ) কামৰূপত 'জোৰা-নাম'ক কি বুলি কোৱা হয়?

(ঙ) 'গেয়' মানে কি?

(চ) 'প্ৰবচন' শব্দৰ আভিধানিক অৰ্থ কি?

(ছ) কাৰ্বি জনগোষ্ঠীৰ লোকসাহিত্যত ফকৰা-যোজনাক কি বুলি কোৱা হয়?

(জ) ইংৰাজী Tale অভিধাটোক অসমীয়া লোকসাহিত্যত কি বুলি কোৱা হয়?

(ঝ) 'সাধুকথাবোৰ কল্পনাশ্ৰয়ী'—কথাষাৰ শুদ্ধনে?

(ঞ) 'দৰংৰাজবংশাৱলী'ৰ ৰচক কোন?

(ট) এখন মন্ত্রপুথিৰ নাম লিখা।

(ঠ) কৃষিৰ অধিষ্ঠাত্ৰী দেৱী লখিমীক কাৰ্বিসকলে কি নামেৰে সম্বোধন কৰে?

(ড) 'চক আগ কিএম' অনুষ্ঠানটো কোনটো জনগোষ্ঠীৰ?

(ঢ) মালিতাৰ ইংৰাজী প্ৰতিশব্দটো কি?

(ণ) এটি কাল্পনিক গীতৰ উল্লেখ কৰা।

(ত) বৰফুকনৰ গীত কোন শ্ৰেণীৰ মালিতা?

(থ) নাৰীকেন্দ্ৰিক লোকগীতৰ এটা উদাহৰণ দিয়া।

(দ) এউৰি মগা গীতৰ প্ৰচলন অসমৰ কোনটো অঞ্চলত আছে?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) মহেশ্বৰ নেওগে লোকসাহিত্যক কি কি ভাগত ভগাইছে?

(গ) অনুষ্ঠানমূলক লোকগীতৰ ভাগ দুটা কি কি?

(ঘ) প্ৰবাদ বাক্যৰ দুটা প্ৰধান লক্ষণ উল্লেখ কৰা।

(ঙ) জন্তুকেন্দ্রিক সাধুকথা বুলিলে কি বুজা?

(চ) বিষয়বস্তুৰ আধাৰত মন্ত্ৰক কি কি ভাগত ভগাব পাৰি?

(ছ) অসমৰ মিচিং সমাজত কি কি মন্ত্ৰৰ প্ৰচলন আছে?

(জ) বড়ো আৰু ডিমাছাসকলে নিচুকণি গীতক কি বুলি কয়?

(ঝ) দুটা জনশ্ৰুতিমূলক মালিতাৰ নাম উল্লেখ কৰা।

(ঞ) অসমীয়া লোকসমাজত প্ৰচলিত দুটি বাৰমাহী গীত উল্লেখ কৰা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সাধুকথা

(খ) সমকালীন মালিতা

(গ) বিয়ানাম বা বিয়াগীত

(ঘ) বিহুগীতৰ বৈশিষ্ট্য

(ঙ) আলি আয়ে লৃগাং

(চ) বাথৌ পূজাৰ গীত

(ছ) গেয় আৰু কথ্য লোকসাহিত্য

(জ) জনজাতীয় লোকসাহিত্য

৪। ৰচনাধৰ্মী উত্তৰ দিয়া (যি কোনো চাৰিটাৰ) : ১০×৪=৪০

(ক) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ সময় আৰু প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) লোকগীতৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) 'আঞ্চলিক আৰু জনগোষ্ঠীয় লোকসাহিত্য'—এই শিতানত এটি নিবন্ধ প্ৰস্তুত কৰা।

(ঘ) প্ৰবচন বুলিলে কি বুজা? অসমীয়া সমাজত প্ৰচলিত প্ৰবাদ বাক্যসমূহৰ পৰিচয় দাঙি ধৰা।

(ঙ) জনজাতীয় সমাজজীৱনত নিচুকণি গীতৰ প্ৰাধান্য সম্পৰ্কে লিখা।

(চ) তোমাৰ নিজ অঞ্চলত প্ৰচলিত মালিতাৰ উদাহৰণেৰে মালিতা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ছ) অসমৰ জনজাতীয় সমাজত প্ৰচলিত মালিতাসমূহৰ বিষয়ে লিখা।

(জ) গোৱালপৰীয়া লোকগীতত প্ৰেম আৰু বিৰহৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঝ) বাৰমাহী গীতৰ বিষয়বস্তু আৰু বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ঞ) পুৰণি অসমত প্ৰচলিত খেল-ধেমালিৰ পৰিচয় দাঙি ধৰি ইয়াৰ লগত সম্পৰ্কিত গীত-মাতবোৰৰ বিষয়ে চমুকৈ লিখা।

★★★

# 2022

## ASSAMESE

( Honours Elective )

Paper : ASM–HE–5026

( অসমীয়া ৰমণ্যাসৱাদী কবিতা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) ‘জোনাকী’ আলোচনীত প্ৰকাশ পোৱা প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম কি ?

(খ) ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম কোন চনত হৈছিল ?

(গ) ‘কদম কলি’ কাব্যগ্ৰন্থখন কোনজন কবিৰ ৰচনা ?

(ঘ) ‘প্ৰতিমাৰ খনিকৰ’ বুলি কোনজন কবিক কোৱা হয় ?

(ঙ) ৰঘুনাথ চৌধাৰীৰ চৰাইক লৈ লিখা এখনি কাব্যগ্ৰন্থৰ নাম লিখা।

(চ) 'তত্ত্ব পাৰিজাত' নামৰ কাব্যগ্ৰন্থৰ ৰচয়িতা কোন?

(ছ) 'জোনাকী' আলোচনীখনৰ প্ৰথম প্ৰকাশৰ চনটো কিমান?

(জ) হেমচন্দ্ৰ গোস্বামীয়ে 'চনেট' ৰচনাৰ বাবে কোনজন বিদেশী কবিৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল?

(ঝ) অসমীয়া সাহিত্যত কোনগৰাকী কবিক 'বিহগী' কবিৰূপে জনা যায়?

(ঞ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

(ট) 'শেৱালিৰ কবি'ৰূপে খ্যাত ৰত্নকান্ত বৰকাকতিয়ে ৰচনা কৰা এখন কাব্যগ্ৰন্থৰ নাম লিখা।

(ঠ) অসমীয়া সাহিত্যত 'কথাকবিতা'ৰ সূচনা কৰা কবিগৰাকীৰ নাম কি?

(ড) শৈলধৰ ৰাজখোৱাৰ 'বিদায় পৰত' নামৰ কবিতাটি কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(ঢ) 'স্মৃতি তীৰ্থ' কোনগৰাকী কবিয়ে ৰচনা কৰা জীৱনীমূলক গ্ৰন্থ?

(ণ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'বিশ্ব শিল্পী' নামৰ কবিতাটি তেওঁৰ কোনখন গ্ৰন্থত আছে?

(ত) বিনন্দ চন্দ্ৰ বৰুৱাক কি কবিৰূপে জনা যায়?

(থ) 'মঞ্জুলেখা' নামৰ গ্ৰন্থখন কোনগৰাকী সাহিত্যিকৰ অনবদ্য ৰচনা ?

(দ) 'মোৰ জীৱন সোঁৱৰণ' নামৰ পুথিখনৰ প্ৰণেতা কোন ?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) "কোনে কয় সেইটি হৰিণা পোৱালি
ইমান চেতনা নাই
বনৰ সৌন্দৰ্যই ৰূপ ধৰি আহি
দেওঁ দি দুবৰি খায়"

এই পংক্তিটি কোনটো কবিতাৰ আৰু কবিগৰাকীৰ নাম কি ?

(খ) চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যপুথি দুখনৰ নাম কি কি ?

(গ) অসমীয়া সাহিত্যত প্ৰথম চনেট ৰচোঁতা কোন আৰু তেওঁৰ প্ৰথম চনেটটোৰ নাম কি ?

(ঘ) "আহিছা বিহগী আলচি মনত
কিবা পাম খাম বুলি,
লোভৰ বেহানি আছে আৰু বহু
যাব তোৰ মন ভুলি।"

এই পংক্তিটোৰ মাজেৰে কবিয়ে কাক, ক'লৈ অহাৰ কথা কৈছে ?

(ঙ) 'বেদনাৰ উল্কা' নামৰ কাব্যপুথিৰ বাবে কোনগৰাকী কবিয়ে, কি বঁটা লাভ কৰিছিল?

(চ) বল্লকান্ত বৰকাকতিৰ 'বিশ্বহৰণ' কবিতাটিত অনুভূত হোৱা স্তৰ দুটা কি কি?

(ছ) 'বন ফুলৰ কবি'ৰূপে খ্যাত কবিগৰাকীৰ দুখন কাব্যপুথিৰ নাম উল্লেখ কৰা।

(জ) কবি নলিনীবালা দেৱীৰ জন্ম ক'ত আৰু কিমান চনত হৈছিল?

(ঝ) 'তামোলবাৰী চাহ বাগিচা'ত অসমৰ কোনগৰাকী শিল্পীৰ জন্ম হৈছিল আৰু তেওঁক কি নামেৰে জনা যায়?

(ঞ) 'লালকিল্লা' কবিতাটিত কবিয়ে ঈশ্বৰ বুলি কাক কৈছে, আৰু তেওঁক কিহৰ অধিপতি বুলি অভিহিত কৰিছে?

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) অসমীয়া সাহিত্যলৈ ৰমণ্যাসিক ভাৱধাৰা কঢ়িয়াই অনা আলোচনীখনৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(খ) ৰমণ্যাসিক কবি হিচাবে লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে এটি টোকা যুগুত কৰা।

(গ) 'চনেট' কাক বোলে? এই কাব্যশৈলীৰ সাধাৰণ বিশেষত্বসমূহ কি কি, বিচাৰ কৰা।

(ঘ) 'কেতেকী' কবিতাটিত উল্লেখ থকা চৰাইজনীৰ মাত শুনি কবিৰ হৃদয়ত কি ভাৱৰ উদ্রেক হৈছিল, চমুকৈ লিখা।

(ঙ) 'বিশ্বহৰণ' কবিতাটোত প্ৰিয়তমাৰ আগমনৰ পিছত কবিৰ দৃষ্টিত প্ৰকৃতিৰ কি কি পৰিৱৰ্তনে ধৰা দিছিল, বিৱৰি লিখা।

(চ) যতীন্দ্ৰনাথ দুৱৰাৰ 'সোণোৱালী দেশ' নামৰ কবিতাটিত সোণোৱালী দেশৰ ৰূপটি কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰা।

(ছ) "শিল্পী মই তিনিও কালৰ
অতীতৰ
বৰ্তমানৰ
অনাগত ভৱিষ্যৰ।"

জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা ৰচিত উক্ত কবিতাফাঁকিৰ তাৎপৰ্য বিচাৰ কৰা।

(জ) 'শাপমুক্তা' কবিতাটিৰ উৰ্বশী চৰিত্ৰটোৰ মাজেৰে কোনে, কিয় শাপমুক্ত হোৱাৰ কথা ক'ব বিচাৰিছে, চমুকৈ আলোচনা কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ৰোমাণ্টিক কবিতাৰ সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) অসমীয়া সাহিত্যৰ ত্ৰিমূৰ্ত্তি বুলি কাক কোৱা হয়? তেওঁলোকৰ কাব্যকৃতিৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।

(গ) 'ভ্ৰম' নামৰ কবিতাটিত কবিয়ে তেওঁৰ প্ৰিয়াৰ ৰূপমাধুৰী কেনেদৰে বৰ্ণনা কৰিছে, নিদৰ্শনসহ ব্যাখ্যা কৰা।

(ঘ) 'নিয়ৰ' নামৰ কবিতাটিত ৰোমাণ্টিক কবিতাৰ কি কি লক্ষণ প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'কেতেকী' কবিতাটিৰ মাজেৰে কবি ৰঘুনাথ চৌধাৰীৰ প্ৰকৃতিপ্ৰীতি কেনেদৰে প্ৰকাশিত হৈছে, তোমাৰ ভাষাৰে ব্যক্ত কৰা।

(চ) "যি দিন হন্তে
চকু ছাট মাৰি
তুমি উজলিলা মোৰ
সেই দিন ধৰি
যেন নিলা হৰি
তিল্ তিল্ ক'ই
সকলোবোৰ।"

এই কবিতাফাঁকিৰ অন্তৰালত থকা ভাৰটি বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱা।

(ছ) 'সোণোৱালী দেশ' নামৰ কবিতাটিৰ মাজেৰে কবিৰ ৰহস্যবাদী ধাৰণা কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(জ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ সাংস্কৃতিক চেতনা 'বিশ্ব শিল্পী' কবিতাটিৰ মাজেৰে কেনেদৰে প্ৰতিধ্বনিত হৈছে, বহলাই লিখা।

(ঝ) 'হে জননী ভাৰতবৰ্ষ' নামৰ কবিতাটোৰ জৰিয়তে কবি বিনন্দ চন্দ্ৰ বৰুৱাৰ স্বদেশ প্ৰেমৰ ভাৱনা কেনেদৰে মূৰ্ত হৈ উঠিছে, বিশ্লেষণ কৰা।

(ঞ) ''লাল্‌কিল্লা তোৰণ দ্বাৰত
বহি মই আপোন ভাৰত
দেখা পালোঁ নৱ অভিনয়,
নিয়তিৰ গুপ্ত পৰিহাস
অতীতৰ লুপ্ত ইতিহাস
মোগলৰ ভাগ্য বিপৰ্যয়।''

এই কবিতাফাঁকিৰ অন্তৰ্নিহিত তাৎপৰ্য বুজাই লিখা।

★★★

3 (Sem–5/CBCS) ASM–HC 1

# 2022

## ASSAMESE

Paper : ASM–HC–5016

( অসমীয়া নাটক আৰু পৰিৱেশনশৈলী )

( Honours )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) বিয়াহ কলাই আৰু কেন্দু কলাই নামৰ ব্যক্তি দুজনৰ নাম অসমৰ কোনবিধ পুৰণি অৰ্ধ-নাটকীয় পৰিৱেশ্য কলাৰ সৈতে জড়িত?

(খ) ওজাপালিৰ লগত সম্পৰ্ক থকা বৈষ্ণৱ যুগৰ অসমীয়া সাহিত্যৰ ধাৰাটিৰ নাম কি?

(গ) অংকীয়া নাটৰ সূত্ৰধাৰ চৰিত্ৰটোৰ সৈতে পুতলা নাচৰ কিহৰ মিল লক্ষ্য কৰা যায়?

(ঘ) অংকীয়া শব্দটো সংস্কৃত অংক শব্দৰ পৰা আহিছে। সংস্কৃত 'নাট্যশাস্ত্ৰ' মতে অংক শব্দৰ অৰ্থ কি?

(ঙ) মাধৱদেৱে ৰচনা কৰা এখন ঝুমুৰাৰ নাম লিখা।

(চ) ১৯৩৫ চনত প্ৰকাশিত অসমীয়া পৌৰাণিক নাটক 'চম্পাৱতী'ৰ নাট্যকাৰজনৰ নাম লিখা।

(ছ) তেজপুৰৰ বান ৰংগমঞ্চ কিমান চনত প্ৰতিষ্ঠিত হৈছিল?

(জ) *Waiting for Godot* নাটকখনৰ নাট্যকাৰ ছেমুৱেল বেকেটৰ আন এখন এবচাৰ্ড নাটকৰ নাম লিখা।

(ঝ) 'ৰুক্মিণীহৰণ নাট'ত ৰুক্মিণীৰ চিঠি লৈ দ্বাৰকালৈ গমন কৰা ব্ৰাহ্মণজনৰ নাম কি?

(ঞ) 'ৰুক্মিণীহৰণ নাট'ত কিমানটা গীত সন্নিবিষ্ট কৰা হৈছে?

(ট) 'নীলাম্বৰ' নাটকত উল্লেখ থকা গৌড়ৰ বাদশ্বাহজনৰ নাম কি?

(ঠ) 'নীলাম্বৰ' নাটকত মুঠ কেইটা দৃশ্য আছে?

(ড) 'আহাৰ' নাটকৰ প্ৰথম সংলাপটি কমল নামৰ চৰিত্ৰটোৱে কৈছে। সংলাপটি কি?

(ঢ) "মোৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ, যাক তুমি এদিন মোৰ গৰ্ভত দিছিলা, আৰু মাত্ৰ দুদিনমানৰ কাৰণে মোৰ কোলাত ল'বলৈ দিছিলা—" 'আহাৰ' নাটকৰ এই সংলাপটিত উল্লেখ থকা উপহাৰটি কি?

(ণ) 'উৰুখা' নাটকখন কোনজন পৰিচালকৰ দ্বাৰা প্ৰথম মঞ্চায়ন কৰা হৈছিল?

(ত) প্ৰাঞ্জলে এটা মূৰ্তি সাজিছিল—এজন মানুহ, পাঁচটা মূৰ। মূৰ্তিটোৰ নাম কি দিছিল?

(থ) মহাৰাজ নীলাম্বৰৰ অভিষেক উৎসৱলৈ ভূটানৰ কোনজন অধীশ্বৰে প্ৰীতিভাৱে সন্দেশ নিবেদন কৰিছিল?

(দ) "নামঘৰ—এক জাতীয় নাটশাল।" মন্তব্যটি কাৰ?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বিষয়বস্তু অনুসৰি ওজাপালি অনুষ্ঠানক কি কি ভাগত ভাগ কৰিব পাৰি?

(খ) অংকীয়া ভাওনাত ব্যৱহাৰ হোৱা দুবিধ মুখাৰ নাম লিখা।

(গ) মুখাশিল্পৰ বাবে বিখ্যাত অসমৰ এখন সত্ৰৰ নাম আৰু সেই সত্ৰখন থকা জিলাখনৰ নাম লিখা।

(ঘ) পূৰ্বতে লোকনাট্যানুষ্ঠান আৰু অংকীয়া ভাওনাত পোহৰৰ বাবে ব্যৱহাৰ কৰা দুবিধ উপকৰণৰ নাম লিখা।

(ঙ) 'ৰুক্মিণীহৰণ নাট'ত প্ৰকাশ পোৱা দুবিধ ৰসৰ নাম লিখা।

(চ) 'ৰুক্মিণীহৰণ নাট'ৰ মূল কাহিনীভাগ গ্ৰহণ কৰা দুখন পুৰাণৰ নাম লিখা।

(ছ) কোনে, কাক মনোহৰৰ মাংস খুৱাইছিল?

(জ) পৌৰাণিক নাটকৰ দুটা বিশেষত্ব লিখা।

(ঝ) অংকীয়া ভাওনাৰ শিল্পীসকলৰ মুখত ঘহা দুবিধ পৰম্পৰাগত প্ৰসাধন সামগ্ৰীৰ নাম লিখা।

(ঞ) 'নীলাম্বৰ' নাটকত প্ৰকাশ পোৱা ঐতিহাসিক নাটকৰ দুটা বৈশিষ্ট্য লিখা।

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অংকীয়া নাটৰ পৰিৱেশনত গায়ন-বায়নৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(খ) অংকীয়া নাটৰ আহাৰ্যৰ বিষয়ে এটি চমু টোকা লিখা।

(গ) নাটক পৰিৱেশনত মঞ্চৰ গুৰুত্ব সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(ঘ) Proscenium stage কেনেধৰণৰ হয়, লিখা।

(ঙ) গোৱালপৰীয়া লোকনাট্যানুষ্ঠান 'কুশানগান'ৰ বিষয়ে লিখা।

(চ) 'আহাৰ' নাটকত বাহুল নামৰ চৰিত্ৰটোৱে কেনেধৰণৰ পৰিৱেশত নিজ মাতৃৰ পৰিচয় লাভ কৰিছিল, বৰ্ণনা কৰা।

(ছ) 'নীলাম্বৰ' নাটকৰ নাটকীয় কলা-কৌশলত ছেক্সপীয়েৰৰ নাট্যকৌশলৰ প্ৰভাৱ কেনেদৰে পৰিছে, লিখা।

(জ) 'উৰুখা' নাটকৰ বনশ্ৰীৰ 'শৰীৰ আৰু মনত মেৰ খাই থকা অদৃশ্য বন্ধন' কেনেধৰণৰ?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া লোকনাট্যানুষ্ঠানৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(খ) অংকীয়া নাটৰ ৰস-শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(গ) 'ৰুক্মিণীহৰণ নাট'ত ভক্তিৰস কেনেদৰে প্ৰকাশ পাইছে, সংলাপৰ উদ্ধৃতিসহ আলোচনা কৰা।

(ঘ) অংকীয়া নাটৰ ভাষাশৈলীৰ বিষয়ে ('ৰুক্মিণীহৰণ নাট'ৰ ভাষাশৈলীৰ আলমত) আলোচনা কৰা।

(ঙ) 'ৰুক্মিণীহৰণ নাট'ত শংকৰদেৱৰ মৌলিকতা ক'ত ক'ত, কেনেধৰণেৰে প্ৰকাশ পাইছে, লিখা।

(চ) "'নীলাম্বৰ' এখন প্ৰতিশোধমূলক আৰু বিয়োগাত্মক নাটক।" আলোচনা কৰা।

(ছ) 'নীলাম্বৰ' নাটকত ইতিহাস আৰু কল্পনাৰ সংমিশ্ৰণ কিদৰে ঘটিছে, দেখুওৱা।

(জ) 'আহাৰ' নাটকত সমাজৰ ফোপোলা স্বৰূপৰ প্ৰতিফলন কেনেদৰে ঘটিছে, লিখা।

(ঝ) "ছৱিবোৰ আছে। কিতাপবোৰ, পাণ্ডুলিপিবোৰ আছে। কেন্‌ভাচ, তুলিকা, ৰং—চোৱাচোন প্ৰাঞ্জল চোৱা, পানীৰ ডোঙাত বিয়লিৰ জিলমিল ৰং।" উৰুখা নাটকৰ এই সংলাপটিক এটা নিদৰ্শনৰূপে লৈ নাটকখনৰ সংলাপৰ ইংগিতধৰ্মিতা, বুদ্ধিদীপ্ততা, তীৰ্যকতা, বক্ৰোক্তি ইত্যাদিৰ বিষয়ে আলোচনা কৰা।

(ঞ) "'উৰুখা' নাটকৰ কাহিনীভাগ বিষয়ৰ পৰা বিষয়ান্তৰলৈ বাগৰি ফুৰা।" মন্তব্যটোৰ যথাৰ্থতা প্ৰতিপন্ন কৰা।

★★★

**3 (Sem–5/CBCS) ASM–HC 2**

**2 0 2 2**

ASSAMESE

( Honours )

Paper : ASM–HC–5026

**( অসমীয়া ব্যাকৰণ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) :

১×১০=১০

(ক) অসমীয়া ভাষাৰ বিষয়ে অসমীয়া ভাষাত প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল ?

(খ) 'অসমীয়া ভাষাতত্ত্ব আৰু ব্যাকৰণ' গ্ৰন্থখন কাৰ ৰচনা ?

(গ) নোৱম চমস্কীয়ে ৰচনা কৰা এখন গ্ৰন্থৰ নাম লিখা।

(ঘ) অসমীয়া ভাষাৰ শ্ৰুতিধ্বনি দুটা কি কি ?

(ঙ) অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি কেইটা ?

(চ) কোনবোৰ ধ্বনিয়ে শ্বাসাঘাত বহন কৰিব পাৰে ?

(ছ) অসমীয়া ভাষাৰ যি কোনো এটা নিম্ন স্বৰবৰ্ণ উল্লেখ কৰা।

(জ) অসমীয়া ভাষাত উষ্ম ধ্বনি কেইটা ?

(ঝ) আন্তৰ্জাতিক ধ্বনিলিপি কোনে প্ৰৱৰ্তন কৰিছিল ?

(ঞ) অসমীয়া ভাষাৰ পুৰুষবাচক প্ৰত্যয় এটা লিখা।

(ট) অসমীয়া ভাষাৰ বিভক্তিবিলাকক কেইটা ভাগত ভগাব পাৰি ?

(ঠ) ভাষাৰ নিম্নতম একক কি ?

(ড) কোনবিলাক চিহ্নৰ দ্বাৰা সুৰলহৰ সূচিত হয় ?

(ঢ) অসমীয়া ভাষাৰ বৰ্তমানকালৰ প্ৰথম পুৰুষত ব্যৱহাৰ হোৱা ক্ৰিয়া-বিভক্তিটো কি ?

(ণ) নতুন বাগ্-বিজ্ঞানত বাক্য বিশ্লেষণৰ তাত্ত্বিক দিশৰ দুৱাৰ কোনে মুকলি কৰিছিল ?

(ত) খণ্ডবাক্য একোটা পূৰ্ণ বাক্য হয় নে নহয় ?

(থ) অসমীয়া ভাষাৰ বিষয়ে ইংৰাজী ভাষাত লিখা প্ৰথম ব্যাকৰণখনৰ নাম লিখা।

(দ) বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থখনৰ নাম কি ?

২। তলৰ প্ৰশ্নবোৰৰ চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১

(ক) সত্যনাথ বৰাই ব্যাকৰণৰ সংজ্ঞা কিদৰে আবঢ়াইছে ?

(খ) ঐতিহাসিক ব্যাকৰণ কাক বোলে ?

(গ) বাগ্ধ্বনি বুলিলে কি বুজা ?

(ঘ) স্বৰধ্বনিৰ উচ্চাৰণ কেনেকৈ হয় ?

(ঙ) বিভাজ্য ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি ?

(চ) বিভক্তি কাক বোলে ?

(ছ) অসমীয়া ভাষাত কেৱল স্ত্ৰী সূচোৱা দুটা শব্দ লিখা।

(জ) ক্ৰিয়া বিভক্তি কাক বোলে ?

(ঝ) ঘোষ আৰু অঘোষ ধ্বনিৰ মাজত পাৰ্থক্য কি, বুজাই লিখা।

(ঞ) অসমীয়া ভাষাৰ বিশিষ্ট কম্পিত আৰু পাৰ্শ্বিক ধ্বনি দুটা কি কি?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শ্বাসাঘাত বুলিলে কি বুজা? অসমীয়া ভাষাত শ্বাসাঘাত ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

(খ) ধ্বনি আৰু বৰ্ণ বুলিলে কি বুজা, উদাহৰণসহ লিখা।

(গ) ব্যাকৰণৰ শ্ৰেণীবিভাগৰ যি কোনো তিনি ভাগৰ পৰিচয় দিয়া।

(ঘ) অসমীয়া ভাষাৰ বচন কেনেদৰে সাধন কৰা হয়, আলোচনা কৰা।

(ঙ) অসমীয়া ভাষাৰ কাৰক বাচক বিভক্তি সম্পৰ্কে চমুকৈ লিখা।

(চ) অসমীয়া ভাষাৰ বাক্যক কি কি দিশৰ পৰা শ্ৰেণী-বিভাজন কৰিব পাৰি, উল্লেখ কৰা।

(ছ) অনুক্ৰম বৰ্ণ আৰু উপহিত বৰ্ণ বুলিলে কি বুজা, লিখা।

(জ) সৰল বাক্য কাক বোলে? অসমীয়া ভাষাত সৰল বাক্য কেনেদৰে গঠন কৰিব পাৰি, উদাহৰণসহ লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণ চৰ্চাৰ ইতিহাস আলোচনা কৰা।

(খ) বৰ্তমানলৈকে প্ৰকাশিত অসমীয়া ব্যাকৰণসমূহে অসমীয়া ভাষাৰ স্বৰূপ উদ্‌ঘাটনত কিমানদূৰ কৃতকাৰ্য হৈছে, আলোচনা কৰা।

(গ) বিশিষ্ট ধ্বনি কাক বোলে? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। অসমীয়া ভাষাত এই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়?

(ঘ) অসমীয়া ভাষাৰ বিশিষ্ট দন্তমূলীয় ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি সেই ধ্বনিসমূহৰ এখন তালিকা প্ৰস্তুত কৰি অসমীয়া ভাষাত সেই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা।

(ঙ) "এটা ভাষাৰ ব্যাকৰণগত বিষয় অন্য এটা ভাষাত ব্যাকৰণগত বিষয় নহ'বও পাৰে।" অসমীয়া ভাষাৰ উল্লিখনসহ কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(চ) অসমীয়া ভাষাত বিভিন্ন কাল, পুৰুষ আৰু ভাৱ অনুযায়ী ক্ৰিয়া বিভক্তিসমূহ কেনেদৰে ব্যৱহাৰ হয়, উদাহৰণসহ লিখা।

(ছ) বাচ্য কাক বোলে? বাচ্যৰ ভিত্তিত অসমীয়া ভাষাৰ বাক্যসমূহক কি কি ভাগত ভগাব পাৰি, উদাহৰণসহ বুজাই লিখা।

(জ) "ভাষা বিজ্ঞানৰ মতে আকাংক্ষা, যোগ্যতা আৰু আসত্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে"—কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি এটি আলোচনা দাঙি ধৰা।

(ঝ) খণ্ডবাক্য কাক বোলে? অসমীয়া ভাষাত খণ্ডবাক্যসমূহ কেনেদৰে গঠন হয়, উদাহৰণসহ আলোচনা কৰা।

(ঞ) ৰূপান্তৰ প্ৰক্ৰিয়াৰে কেনেদৰে বাক্য গঠন কৰিব পাৰি, অসমীয়া ভাষাৰ বিশেষ উল্লিখনসহ বিশ্লেষণ কৰা।

★★★

**2022**

# ASSAMESE

## ( Regular Generic )

Paper : ASM–RG–5016

**( শংকৰদেৱ )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) বৈষ্ণৱ ধৰ্মৰ উপাস্য দেৱতাগৰাকীৰ নাম কি?

(খ) ধৰ্ম-পন্থা হিচাপে মহাভাৰতৰ কোনটো খণ্ডত 'বৈষ্ণৱ' নামটো পোৱা যায়?

(গ) 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থৰ ৰচক কোন?

(ঘ) অসমৰ বৈষ্ণৱ সম্প্ৰদায়ৰ বিশ্বাসমতে শংকৰদেৱৰ জন্ম চনটো কি?

(ঙ) শংকৰদেৱৰ প্ৰথম কাব্যগ্ৰন্থখনৰ নাম কি?

(চ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ ৰাগ কি?

(ছ) 'ঈশ স্বৰূপে হৰি সব ঘটে বৈথহ'—ইয়াত 'ঘট' মানে কি?

(জ) 'ভটিমা' শব্দৰ অৰ্থ কি?

(ঝ) সাৰংগপাণি কোন?

(ঞ) 'গজেন্দ্ৰ উপাখ্যান' কাহিনীভাগ শংকৰদেৱে ক'ৰ পৰা গ্ৰহণ কৰিছে?

(ট) শংকৰ-মাধৱৰ মিলনক 'মণিকাঞ্চন সংযোগ' বুলি কোনে কৈছিল?

(ঠ) শংকৰদেৱৰ ভক্তিতত্ত্ব প্ৰকাশক এখন গ্ৰন্থৰ নাম লিখা।

(ড) 'গুণমালা' কি ছন্দত ৰচিত?

(ঢ) শংকৰদেৱৰ শ্ৰেষ্ঠ নাটখনৰ নাম কি?

(ণ) শংকৰদেৱৰ প্ৰথম বৰগীত কোনটো?

(ত) বৰগীতক Holy Song বুলি কোনে কৈছিল?

(থ) শংকৰদেৱৰ 'হৰিশ্চন্দ্ৰ উপাখ্যান'ৰ মূল কি?

(দ) 'পাৰিজাত হৰণ' নাটত কিমানটা শ্লোক আছে?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বৰগীতৰ দুটি বৈশিষ্ট্য লিখা।

(খ) শংকৰদেৱৰ নাম-প্ৰসঙ্গ বিষয়ক দুখন গ্ৰন্থৰ নাম লিখা।

(গ) শংকৰদেৱৰ শেহৰ ৰচনা কি? কাৰ অনুৰোধত মহাপুৰুষে এই সৃষ্টিকাৰ্য কৰিছিল?

(ঘ) বৰগীত বুলিলে কি বুজা?

(ঙ) যত জীৱ জংগম কীট পতংগম
অগ, নগ জগ তেৰি কায়া।

ইয়াত 'অগ' আৰু 'নগ' মানে কি ?

(চ) নৱবিধ ভক্তিৰ ভিতৰত কোন দুটাক সৰ্বাধিক মহত্ত্ব দিয়া হৈছে ?

(ছ) ত্ৰিকূট পৰ্বতৰ শৃংগত কি কি মূল্যবান ধাতু উভৈনদীকৈ পোৱা যায় ?

(জ) 'গজেন্দ্ৰ উপাখ্যান' অধ্যায়টি কোন দুবিধ ছন্দত ৰচিত ?

(ঝ) শ্ৰীকৃষ্ণৰ চতুৰ্ভুজ ৰূপৰ চাৰিওখন হাতত কি কি আছে ?

(ঞ) "হৰিশ্চন্দ্ৰ উপাখ্যানতে মহাপুৰুষজনাই পোনতে ভকতিৰ চাৰি খুঁটি মাৰে।" এই চাৰি খুঁটি কি কি ?

৩। তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ৫×৪=২০

(ক) শংকৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত ভক্তিধৰ্মৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(খ) শংকৰদেৱৰ 'উত্তৰাকাণ্ড ৰামায়ণ' সম্পৰ্কে লিখা।

(গ) 'নাৰায়ণ কাহে ভকতি কৰো তেৰা' বৰগীতটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঘ) শংকৰদেৱে ৰচনা কৰা ভটিমাৰ বিষয়ে এটি টোকা লিখা।

(ঙ) 'গজেন্দ্ৰ উপাখ্যান'ৰ কাহিনীভাগ চমুকৈ লিখা।

(চ) 'শিশু লীলা'ৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(ছ) 'হৰিশ্চন্দ্ৰ উপাখ্যান'ত কি কি অলংকাৰৰ প্ৰয়োগ হৈছে, আলোচনা কৰা।

(জ) 'পাৰিজাত হৰণ' নাটৰ মূল সম্পৰ্কে লিখা।

৪। তলৰ প্ৰশ্নবোৰৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰদেৱৰ পৰিচয় দি তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) 'গজেন্দ্ৰ উপাখ্যান'ত অসমীয়া সমাজৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(গ) 'শিশু লীলা খণ্ড'ৰ আধ্যাত্মিক তাৎপৰ্য বিচাৰ কৰা।

(ঘ) ৰজা হৰিশ্চন্দ্ৰৰ মাজেৰে সত্যবাদিতা আৰু ত্যাগৰ মহিমা তথা বিষ্ণুভক্তি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ আধাৰত শ্ৰীকৃষ্ণ চৰিত্ৰটো বিশ্লেষণ কৰা।

(চ) 'অংকীয়া নাট'ৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ছ) 'সাৰংগপাণি' বৰগীতটোৰ এটি বিশ্লেষণমূলক আলোচনা যুগুত কৰা।

(জ) 'গজেন্দ্ৰ উপাখ্যান'ৰ আধ্যাত্মিক তাৎপৰ্য বিচাৰ কৰা।

(ঝ) 'পাৰিজাত হৰণ' নাটৰ ৰস বিচাৰ কৰা।

(ঞ) "'কীৰ্ত্তন' মহাপুৰুষৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন।" কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

★★★

# 2022

## ASSAMESE

## ( Skill Enhancement )

Paper : ASM-SE-5014

**( আবৃত্তি কলা )**

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১×৪=৪

(ক) বেদ বা শ্ৰুতি মানে কি?

(খ) কেইবাটাও ঋক্ বা ঋগবেদৰ মন্ত্ৰ লগলাগি কি গঠন হয়?

(গ) নেপালৰ ৰাজদৰবাৰৰ পৰা চৰ্যাপদ উদ্ধাৰ কৰা পণ্ডিত-গৰাকীৰ নাম কি?

(ঘ) যতি কাক বোলে?

(ঙ) আবৃত্তিৰ অভিধানগত অৰ্থ কি?

(চ) এটা ছন্দৰীতিৰ নাম লিখা।

(ছ) কবিতাৰ স্ৰষ্টাগৰাকীক কি বুলি কোৱা হয়?

(জ) আবৃত্তিক ইংৰাজীত কি অভিধাৰে বুজোৱা হয়?

২। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো তিনিটা) : ২×৩=

(ক) বেদ চাৰিখনৰ নাম লিখা।

(খ) আবৃত্তিৰ উৎপত্তি কোন সময়ৰ পৰা, কেনেকৈ হৈছিল বুলি কোৱা হয়?

(গ) ছন্দ কাক বোলে?

(ঘ) মাত্ৰাবৃত্ত ছন্দ বুলিলে কি বুজা?

(ঙ) আবৃত্তি এটিৰ সাৰ্থকতা কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(চ) বাল্মিকী মুখ-নিঃসৃত ৰামায়ণৰ প্ৰথম শ্লোকফাঁকি লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো দুটা) : ৫×২=

(ক) লিখন পদ্ধতি আৱিষ্কাৰৰ পূৰ্বে বেদ বা শ্ৰুতি কিদৰে সমাজত প্ৰবাহিত হৈ আছিল, ব্যাখ্যা কৰা।

(খ) ভাৰতত আৰ্য সভ্যতা কিদৰে বিস্তৃত হৈছিল, আলোচনা কৰা।

(গ) আৰ্য সমাজত আবৃত্তিৰ স্থান কেনেকুৱা আছিল?

(ঘ) ধ্বনি কেইপ্ৰকাৰৰ আৰু কি কি? সূত্ৰ লিখি উদাহৰণসহ বুজাই লিখা।

(ঙ) আবৃত্তি আৰু সাধাৰণ পাঠৰ মাজত পাৰ্থক্য কি, বৰ্ণনা কৰা।

(চ) আবৃত্তিত আবেগ কিদৰে সংপৃক্ত হৈ থাকে, আলোচনা কৰা।

৪। বহলাই আলোচনা কৰা (যি কোনো তিনিটা) : ১০×৩=৩০

(ক) আবৃত্তি বুলিলে কি বুজা? আবৃত্তিৰ আৰম্ভণি কিদৰে হৈছিল, বৰ্ণনা কৰা।

(খ) কবিতা এটিক উৎকৃষ্ট আবৃত্তিলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত আবৃত্তিকাৰে কি কি কৌশল অৱলম্বন কৰা উচিত, বৰ্ণনা কৰা।

(গ) কাব্যত অলংকাৰ বুলিলে কি বুজা? আবৃত্তিত শব্দালংকাৰৰ প্ৰয়োগ সম্বন্ধে উদাহৰণসহ আলোচনা কৰা।

(ঘ) আবৃত্তিত উচ্চাৰণ, স্বৰ, আবেগ, সুৰ আদিৰ প্ৰয়োজনীয়তা সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(ঙ) শ্বাস-প্ৰশ্বাসৰ সৈতে আবৃত্তিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা।

(চ) গান আৰু আবৃত্তি একেনে? তোমাৰ উত্তৰৰ সমৰ্থনত গান আৰু আবৃত্তিৰ সাদৃশ্য-বৈসাদৃশ্য সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

(ছ) আবৃত্তিৰ প্ৰস্তুতি পৰ্বত আৱশ্যক হোৱা কাব্যবোধ আৰু কাব্যগতি সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(জ) ছন্দ আৰু যতিৰ ধাৰণা অবিহনে সুন্দৰ আবৃত্তি সম্ভৱ নহয়, আলোচনা কৰা।

★★★